বিশ্বকবি

ৰবীন্দ্ৰনাথ ঠাকুৰ

DISTRICT LIBRARY

শ্ৰীকমলেশ্বৰ চলিহা

M

DISTRICT LIBRARY.

শান্তি কুটিৰ লাইব্রেৰীৰ
চতুর্থ প্রয়াস

• •

প্রকাশক :
দত্ত বৰুৱা এণ্ড কোং
নলবাৰী : অসম

• •

বেচ—ছয় অনা
প্রথম প্রকাশ
১৯৫৭

• •

মুদ্রক :
শ্রীযোগেশচন্দ্র গোস্বামী
উমাপ্রেছ : নলবাৰী

PLEASE HANDLE THE BOOK CAREFULLY.

নিবেদন

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত।
অভিনয় শেষ হলে আয়ু বেলি মাৰ গলে
থৈ যাব পাৰোঁ খোজ সময় বালিত॥"—আগৰৱালা

এই উদ্দেশ্য সাধনৰ অৰ্থে আমি কিছুমান মনীষী লোকৰ জীৱনী সৰু লৰা-ছোৱালীলৈ আগবঢ়াবৰ আশা কৰিছোঁ।

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ ভাৰতৰ বৰেণ্য পুৰুষ; পৃথিৱীত খ্যাতি লাভ কৰা এজন মহা কবি। আমাৰ কণ কণ লৰা-ছোৱালীৰ অৰ্থে চলিহা ডাঙৰীয়াই এইখিনি যুগুত কৰি দিয়াত আমি প্ৰকাশ কৰিলোঁ। আশা কৰোঁ ভগৱানে উদ্দেশ্য সিদ্ধি কৰিব।

দত্তবৰুৱা এণ্ড কোং
নলবাৰী : অসম

DISTRICT LIBRARY

Library books will give you joy for long
if handled carefully with clean hands

বিশ্বকবি
ৰবীন্দ্ৰনাথ ঠাকুৰ

শান্তি নিকেতন

আমৰ অকণিহঁত! তোমালোকে নিশ্চয় বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ নাম শুনিছা ? তেওঁৰ লিখিত কৱিতা আজি গোটেই পৃথিৱীতে জনাজাত। এওঁৱেই "গীতাঞ্জলি" নামৰ এখন কৱিতা-পুথি লেখি "নবেল বটা" পাইছিল। এই বঁটা পোৱাৰে-পৰা ৰবীন্দ্ৰনাথৰ নাম গোটেই পৃথিৱীতে ভালদৰে জনাজাত হৈ উঠিল। কাৰণ এই বঁটা খুব ভাল লেখকবিলাককহে দিয়া হৈছিল।

ৰবীন্দ্ৰনাথ যে এজন অকল কবি আছিল তাক ভাবিলে ভুল হব—ৰবীন্দ্ৰনাথ এজন দেশপ্ৰেমিকো আছিল। তেওঁ সদায় দেশৰ হিত চিন্তিছিল। তেওঁ দেশৰ উন্নতিৰ হকে বহুতো কাম কৰিছিল। তেওঁ লৰা-ছোৱালীৰ সুশিক্ষাৰ কাৰণে "শান্তি-নিকেতন" নামে এখন মনোমোহা উদ্যানৰ সৃষ্টি কৰিছিল। 'শান্তি নিকেতন' নগৰৰ জন-কোলাহলৰপৰা আঁতৰত আছিল— য'ত কেৱল সদায় বিৰাজ কৰিছিল শান্তিয়ে। এই 'শান্তি-নিকেতন' বঙ্গদেশৰ বোলপুৰ জিলাৰপৰা প্ৰায় দুমাইলমানহে দূৰত আছিল। আগেয়ে এই ঠাই ডোখৰত চোৰ-ডকাইতৰ উৎপাত বেচি ধৰণে

হৈছিল। কিন্তু ভাবিলে আচৰিত হব লাগে যে, সেই চোৰ-ডকাইতৰ বস্তিত এদিন এখন মনোমুগ্ধকৰ আশ্ৰমৰ সৃষ্টি হল।

১৯০১ চনৰ ডিচেম্বৰ মাহত বিশ্বকবি ৰবীন্দ্ৰনাথে এই স্কুল খোলে; কিন্তু ইয়াৰ গুৰিতে আছিল তেওঁৰ পিতাক মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ। তেওঁলোকে সেই ঠাইডোখৰ নানা ধৰণৰ ফল-ফুলেৰে সুশোভিত কৰি এখন স্বৰ্গপুৰী ৰচনা কৰে।

প্ৰথমতে সেই স্কুলত খুব কম সংখ্যক লৰা-ছোৱালী আছিল; কিন্তু পাচত লাহে লাহে বিদেশৰ পৰাও ছাত্ৰসকল আহিবলৈ ধৰে। তেওঁলোকে তাত নানা ধৰণৰ শিক্ষা লবলৈ ছাত্ৰসকলে তাত সকলো ধৰণৰ ভাষা শিক্ষা লাভ কৰিছিল আৰু ইয়াৰ কাৰণে বিদেশৰপৰা বেলেগ বেলেগ ভাষা জনা শিক্ষক সকলো আহিছিল। 'শান্তি-নিকেতন'ৰ এইটোৱে বিশেষত্ব যে, তাত নিজৰ পাঠ আহৰণ কৰাৰ উপৰিও ছাত্ৰসকলক নানা বিষয়ৰ শিক্ষা দিয়া হয়।

'শান্তি-নিকেতন'ত ছাত্ৰবিলাকক মুকলি বায়ু আৰু গছৰ ছাঁত পঢ়োৱা হয়। ছাত্ৰবিলাকে নিজে নাটক লিখি তাত ভাও লয়; আৰু ৰবীন্দ্ৰনাথেও নাটক পঢ়ি তাত ভাও লবলৈ ভাল পাইছিল। তেওঁলোকৰ ঈশ্বৰ উপাসনাৰ কাৰণে ৰাতিপুৱা আৰু গধূলি দুটা নিৰ্দ্দিষ্ট সময় আছিল। ছাত্ৰবিলাকক বছৰত দুবাৰ বন্ধ দিয়া হয় আৰু মহাপুৰুষসকলৰ জন্মদিনৰ বাবেও তেওঁলোকে বন্ধ পায়।

'শান্তি-নিকেতন'ক এখন সৰুসুৰা নগৰেই বুলিব পাৰি। কাৰণ ইয়াত কোনো বস্তুৰেই অভাৱ নাই। তেওঁলোকৰ নিজা গৰু-ম'হৰ পাম, পোষ্ট-অফিচ, চিকিৎসালয়, কাৰখানা, ছপা কল আৰু কাপোৰ বোৱা কল আদি সকলো আছে। তাত নানা ধৰণৰ কিতাপেৰে ভৰা এটা পাঠাগাৰ আছে। ইয়াৰ কিতাপ গোটেই বিশ্বৰ মানুহেই পঢ়িবলৈ পায়। ৰবীন্দ্ৰনাথে সেইখন পাঠাগাৰ খুব ভাল পাইছিল আৰু তাত নানা ধৰণৰ নিজে লেখা কিতাপ দান কৰিছিল।

লৰা-ছোৱালীবিলাকক তাত লিখা-পঢ়াৰ বাহিৰেও গান গাবলৈ আৰু নাচিবলৈ শিকোৱা হয়। তেওঁলোকে নিজৰ আৱশ্যকীয় বস্তুবোৰ নিজ হাতেৰে গঢ়ি লয়। তেওঁলোক সদায় সত্যবাদী আৰু দয়ালু। ছাত্ৰবিলাকে কেতিয়াবা ওচৰৰ গাওঁবোৰলৈ গৈ তাৰ সবল হোজা মানুহবোৰক লিখা-পঢ়া আৰু নানা ধৰণৰ আৱশ্যকীয় কথা কয়। তেওঁলোকক কেনেকৈ নিজৰ স্বাস্থ্য, নিজৰ মাটি, গৰু-ঘোৰাৰ প্ৰতি যত্ন লব লাগে তাকো শিকাবলৈ কেতিয়াও কুণ্ঠিত নহয়।

'শান্তি-নিকেতন'ত শাস্তি দিয়াৰ নিয়ম নাই। দোষীৰ বিচাৰ ছাত্ৰসকলে নিজৰ মাজতেই কৰে; কিন্তু তাত সৌকাৰে কোবোৱাৰ কোনো নিয়ম নাই।

লৰা-ছোৱালীবিলাকে সময়ৰ সদ্‌ব্যৱহাৰ বুজি পায়। তেওঁলোকে কেতিয়াও সময় অবাবত নষ্ট নকৰে। তেওঁলোকে দিনটো তালিকাৰ নিয়ম অনুযায়ী শেষ কৰে। ছাত্ৰবিলাকে

সদায় ৰাতিপুৱা চাৰি বজাত উঠি নিজৰ গা আৰু কোঠা পৰিষ্কাৰ কৰি মুকলি বতাহত কিছু সময় ব্যায়াম কৰে। তাৰ পাচত গা-পা ধুই ঈশ্বৰ উপাসনা কৰি নিজৰ পাঠ পঢ়ে। তেওঁলোকে সদায় ৰাতিপুৱা পাতল আহাৰ খাই স্কুললৈ যায় আৰু তাত পাঁচ কি ছয় ঘণ্টা পঢ়ে। ইয়াৰ পাচত তেওঁলোকে দুপৰীয়া আহাৰ খাই কিছু সময় জিৰণি লৈ আকৌ দুটা বজাৰপৰা আবেলি পাঁচ বজালৈ স্কুললৈ যায়। আবেলি সময়ত লৰা-ছোৱালীবিলাকে ব্যায়াম আৰু প্ৰাৰ্থনা কৰি গল্পৰ চ'ৰালৈ যায়। তাত তেওঁলোকে নানা ধৰণৰ গল্প কয়, কিতাপ পঢ়ে আৰু নানা ধৰণৰ বক্তৃতা আদিও দিয়ে। তেওঁলোকে কেতিয়াবা আবেলি সময়ত গান শুনে নাইবা নাটক কৰে।

এইখনেই হৈছে ৰবীন্দ্ৰনাথৰ স্কুল—যাক তেওঁ প্ৰাণতকৈও ভাল পাইছিল। তেওঁ লৰা-ছোৱালীবিলাকৰ লগত নানা ধৰণৰ আলাপ আলোচনা কৰি প্ৰকৃত শান্তিৰ মাজত ডুব গৈ আছিল। ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰকৃতিৰ উপাসক আছিল। তেওঁ লৰা-ছোৱালীবিলাকৰ মাজত প্ৰকৃতিৰ বস্তুবোৰৰ বিষয়ে আলোচনা কৰি খুব ভাল পাইছিল।

প্ৰত্যেক বছৰেই বহুত মানুহে এই স্কুল পৰিদৰ্শন কৰিবলৈ আহে। তেওঁলোকে কিছু দিন তাত থাকি ভাৰতৰ বিষয়ে বহুতো কথা শিকে।

ঠাকুৰ পৰিয়াল

ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱনৰ কথা জানিবলৈ পালে ভাল লাগিব। তেওঁ কলিকতাৰ জোৰাসাঁকোত ১৮৬১ চনৰ মে মাহৰ ৬ তাৰিখে ওপজে। তেওঁবিলাকৰ পৰিয়ালৰ ডাঙৰ অট্টালিকাটো এতিয়াও সেই ঠাইতে আছে। এইটো ঘৰতেই বহুতো কাল ঠাকুৰ পৰিয়ালৰ নিবাস। তেওঁবিলাকৰ সম্পদ, তেওঁবিলাকৰ জ্ঞান আৰু তেওঁবিলাকৰ সৌন্দৰ্য্যৰ প্ৰতি হেঁপাহৰ বাবে সকলোৱে তেওঁবিলাকক বিখ্যাত বুলি ভাবে। পৰিয়ালৰ প্ৰায় সকলোখিনি মানুহেই হয় লেখক, নাইবা কবি, নাইবা শিল্পী, নাইবা গায়ক এবিধ নহয় এবিধ হৈছিলেই। পুৰুষ যেনেকৈ গুণী, তিৰোতাসকলো সেইদৰে গুণী আছিল। বঙ্গ সাহিত্যত এওঁবিলাকৰ দান অপাৰ। অকল তেওঁবিলাকে কিতাপকে লেখা নাছিল, বাতৰি কাকত আৰু আলোচনী আদিৰো তেওঁবিলাকে জন্ম দিছিল। তেনে এখন আলোচনীৰ নাম আছিল "ভাৰতী"। ৰবীন্দ্ৰনাথৰ এজন সহোদৰেই এই কাগজখন চলাইছিল। এইখন কাগজৰ বাবেই ৰবীন্দ্ৰনাথে পোনপ্ৰথমে কবিতা লেখে, গীত আৰু নাট ৰচনা কৰে। তেওঁৰ মাথোন ষোল বছৰ বয়সতে তেওঁ এই কামত ব্ৰতী হৈছিল। যিবিলাক মানুহে তেওঁৰ ৰচনা পঢ়িছিল তেওঁবিলাকে কৈছিল, যে এওঁ সময়ত বিখ্যাত লেখক হবগৈ।

প্ৰিন্স দ্বাৰকানাথ ঠাকুৰ ৰবীন্দ্ৰনাথৰ ককাদেউতাক। তেওঁ উদাৰতা আৰু ধন-সম্পত্তিৰ কাৰণে বিখ্যাত আছিল। তেওঁ লক্ষ লক্ষ টকা উপাৰ্জ্জন কৰিছিল আৰু সেইদৰেই খৰচো কৰিছিল। তেওঁ দাতা আৰু দয়ালু আছিল। তেওঁৰ বন্ধু এজন জজ বিলাতলৈ যাবলগীয়া হৈছিল; কিন্তু জজজনে এজনৰ ধৰুৱা আছিল। সেই মানুহজনে জজজনক ধাৰৰ টকাৰ বাবে গোচৰ কৰিব খুজিছিল। এনে বিপদত জজজনে প্ৰিন্স দ্বাৰকানাথ ঠাকুৰৰ গুৰিলৈ গ'ল। পিচত ঠাকুৰে সেই ধাৰ সধা মানুহজনক মতাই অনালে আৰু জজজনে দিবলগা সকলো টকা তেওঁক দিলে। তেওঁৰ হতুৱাই সকলো টকা পালোঁ বুলিয়ে৷ ঠাকুৰে লেখাই ললে। ইয়াৰ পিচত প্ৰিন্স ঠাকুৰ জজজনৰ ওচৰলৈ গল আৰু কথা পাতিবলৈ ধৰিলে। জজজনে ঠাকুৰক তেওঁৰ বিপদৰ কথা কবলৈ ধৰিলে। তেতিয়া ঠাকুৰে জজজনক সেই মানুহজনে লেখা কাগজখন দেখুৱাই দিলত জজজন বৰ আনন্দিত হ'ল। প্ৰিন্স ঠাকুৰে জজজনক নজনাবৈয়ে তেওঁৰ এই উপকাৰটো কৰিলে। কৃতজ্ঞ হৈ জজে প্ৰিন্স ঠাকুৰক এখন হেণ্ডনোট্ লেখি দিব খুজিলে; কিন্তু ঠাকুৰে তেনে কৰিবলৈ নিদিলে।

প্ৰিন্স ঠাকুৰে এইদৰে আন ভালেমান বন্ধু-বান্ধৱকো সহায় কৰিছিল। তেওঁ বৰ দয়ালু আছিল আৰু যি কামত ভাৰত গৌৰৱান্বিত হোৱা যেন তেওঁ দেখিছিল, তেনে কামত অকাতৰে ধন দান কৰিছিল। তেওঁৰ বদান্যতাৰ বাবে বৃটিচ চৰকাৰেও তেওঁক শলাগিছিল। গৱৰ্ণমেণ্ট আৰু

ৰাইজেও তেওঁৰ পৰামৰ্শ লৈ কাম কৰিছিল। তেওঁ বৰ সুখ স্বাচ্ছন্দ্যত কাল কটাইছিল আৰু অজস্ৰ ধন ব্যয় কৰিছিল।

দুবাৰ তেওঁ বিলাতলৈ গৈছিল—কিন্তু শিক্ষা-উৰাত সম্পূৰ্ণ ভাৰতীয় হৈ আছিল। তেওঁ বিলাতলৈ শেষবাৰ যাত্ৰা কৰাৰ পাছতে তাতে ঢুকায়। প্ৰিন্স দ্বাৰকানাথ ঠাকুৰে ভাৰত আৰু ভাৰতীয় দেশ আৰু জাতি মহৎ হব বুলি আশা কৰিছিল।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ দেউতাক দেবেন্দ্ৰনাথ ঠাকুৰ প্ৰিন্স দ্বাৰকানাথৰ লৰা। দেবেন্দ্ৰনাথ বৰ জ্ঞানী আছিল বাবে তেওঁ মহৰ্ষি নামে জনাজাত। তেওঁ সৎলোক আছিল। তেওঁৰ বহুতো মাটি আছিল। তেওঁ সাৱধান হৈ মাটি-বাৰী চলাইছিল। পিতাকৰ দিনৰ ধাৰ-ঋণ তেওঁ পৰিশোধ কৰিছিল। ধাৰ অলপ অচৰপ নহয়—কেবা লাখ টকাও দ্বাৰকানাথ ঠাকুৰৰ ঋণ আছিল। মৃত্যুৰ আগতে একলাখ টকা হাস্পাতালৰ বাবে দান কৰিবলৈ দ্বাৰকানাথ ঠাকুৰে প্ৰতিজ্ঞা কৰিছিল। এই টকাখিনি তেওঁৰ পুতেক মহৰ্ষি দেবেন্দ্ৰনাথেহে দিব পাৰিলে। মহৰ্ষিয়ে দৰিদ্ৰকো ভালেমান টকা দান দিয়ে।

মহৰ্ষিৰ সাতজন লৰাৰ ভিতৰত ৰবীন্দ্ৰনাথো এজন। এই আটাইকেইজনেই বিখ্যাত আৰু বিদ্বান হৈছিল।

—x—

কবিৰ বাল্যজীৱন

এনে এটা পৰিয়ালতে ৰবীন্দ্ৰনাথৰ জন্ম। এই পৰিয়ালত ওপজা জনৰ এইটোৱেই বিশেষত্ব যে, তেওঁ সৌন্দৰ্য্য, সঙ্গীত, কাব্য আৰু গ্ৰন্থ ৰচনা ভাল পাব। এই কথাটো ৰবীন্দ্ৰনাথতে সুন্দৰকৈ খাটিল। কিন্তু তেওঁৰ শৈশৱ বৰ সুখৰ নাছিল। সৰুতেই তেওঁৰ মাক ঢুকায় আৰু তেওঁৰ পিতাক ব্যৱসায়ত আঁতৰি থাকে। ৰবীন্দ্ৰনাথৰ সঙ্গী মাথোন লগুৱা-লিকচৌবিলাকেই। কিছুমান লগুৱা বৰ নিষ্ঠুৰ আছিল। তেওঁবিলাকে ৰবীন্দ্ৰনাথক মুকলি মনেৰে ফুৰিবলৈ নিদিছিল। এটা লগুৱাই মাটিত এদাল আঁক পাৰি ৰবীন্দ্ৰনাথক তাৰ বাহিৰ হবলৈ নিদিছিল।

ৰবীন্দ্ৰনাথ বুধিয়ক আৰু টেঙৰ আছিল। তেওঁ ঘৰৰ বাজ নোহোৱাকৈয়ে বহুতো দেখিলে। খিৰিকী এখনৰ গুৰিত বহি তেওঁ মনে মনে বাহিৰ জগতৰ ধ্যান কৰিবলৈ ললে। গছ, মাটি আৰু আকাশলৈ চালে—প্ৰত্যেক চালে চকুৰোৱা, সুন্দৰ বস্তুলৈ মনোযোগ দিলে। প্ৰত্যেকটো বস্তুকে তেওঁ আত্মশক্তিত ভৰপূৰ দেখা পাইছিল। সেই দেখি সকলো বস্তুকে তেওঁ পৰমাত্মীয় বুলি ভাবিলে। ঘন্টাৰ পিচত ঘন্টাকৈ তেওঁ গছৰ পাত আৰু ফুল চাই অকলশৰে বহি থাকিব পাৰিছিল। ইজোপা গছৰপৰা সিজোপালৈ উৰি যোৱা চৰাইবোৰ তেওঁ চাইছিল।

এইবোৰ চাই তেওঁ অন্তৰত আনন্দ পালে। সকলো পৰাই ৰবীন্দ্ৰনাথ প্ৰকৃতিৰ সেৱক আছিল। তেওঁ লেখিছে যে তেওঁ পুৱা সাৰ পাই উঠিয়েই ফুলনিলৈ যায়। নিয়ৰত তিতি থকা ঘাঁহ, বন, পাত আৰু ফুলবোৰে যেন তেওঁক তেতিয়া বন্ধুত্বৰ পৰশ দিয়ে।

খিৰিকীৰ দাঁতিত বহি ৰবীন্দ্ৰনাথে অকল এইবোৰকে নেদেখে। তেওঁ এটা পুখুৰী দেখে—যাৰ ঘাট বন্ধোৱা। পুখুৰীটোৰ পাৰত এজোপা বৰ গছ, আনটো পাৰত নাৰিকলৰ শাৰী। পুখুৰীটোলৈ চাই চাই ৰবীন্দ্ৰনাথে দিনৌ ঘণ্টাৰ পিচত ঘণ্টাকৈ বহি থাকে। তাত গা ধুবলৈ অহা মানুহবোৰ তেওঁ দেখে। সেই মানুহৰ জীৱনৰ লগত তেওঁৰ তাৰ পৰাই পৰিচয় হ'ল। কথা অৱশ্যে পাতিবলৈ তেওঁ নেপায়, কিন্তু জানে কোন কেতিয়া আহিব আৰু গা ধুবহি। মানুহবোৰ গুচি গলে তেওঁ বৰ গছ জোপালৈ চাই কাল কটায়। গছ জোপাৰ তল যেতিয়া এন্ধাৰেৰে ভৰি পৰে আৰু তেওঁ ভাবে, যে তাত কিজানি তেতিয়া অপেস্বৰীৰ মেলা বহে।

খাই বৈ উঠি দুপৰীয়া তেওঁ চাঁদলৈ যায়। কাপোৰ-কানি তাত ৰ'দত শুকুৱা দেখে। কাউৰীবোৰে তাত পাখি চপচপাই খোৱা বস্তুৰ টুকুৰাৰে কোৱাল-বাখৰ কৰে। দূৰৈত নাৰিকলৰ শাৰী। তলত দেখে পুখুৰীটো। ৰ'দত তাৰ পানীবোৰ ফটিকৰ দৰে জিলিকে। আকাশত চিলা উৰে। বাটত ফেৰিৱালাই চিঞৰে—"চুড়ি লাগেনে"।

এবাৰ ৰবীন্দ্ৰনাথে আতলাচ কঠালৰ গুটি মাটিত পুতি থৈছিল। বাৰান্দাৰ একাষে পুতি থোৱা গুটিটোত তেওঁ সদায় পানী দিছিল। তেওঁ ভাবিছিল—গুটিটো গজি এজোপা ডাঙৰ গছ হব। মাটিৰ তলতনো কি আছে তাক জানিবৰ কাৰণে তেওঁৰ হেঁপাহ হ'ল। এনে হেঁপাহতে তেওঁ মাটিত দ গাঁত এটা খান্দিবলৈ আৰম্ভ কৰিলে। তেওঁ তলিলৈকে খান্দি চাবৰ ইচ্ছা কৰিলে। কাৰণ তলিখনতনো কি আছে তাক তেওঁ চাব খোজে। খিৰিকীৰ কাষেদি হাত ভৰাই তেওঁ ডাৱৰবোৰ ধৰি যাব খোজে। বহুতো মাৰি জোৰা দি তেওঁ ডাৱৰবোৰ ঢুকি পাবলৈ বিচাৰিলে। সৰুকালত তেওঁৰ মনৰ চিন্তাবোৰ এনেকুৱাই আছিল। তেওঁ হয়তো ভাবিছিল—

'বগা ডাৱৰ বগা ডাৱৰ
বগা ডাৱৰ আজি,
মেঘৰ কোলাত লুকাল কেনি
গুৰ-ৰু-গুৰু গাজি।'

তেওঁ বাহিৰলৈ ওলাব নোৱাৰে। ঘৰখনো ডাঙৰ, অনেক মানুহ, অনেক লৰা-ছোৱালীৰ তাত বাস। লগুৱা-লিকচৌৰ কাৰণেও তাত অলেখ খোটালি। এইবিলাক মানুহক চাই চায়েই ৰবীন্দ্ৰনাথে পৃথিৱীৰ আভাস পালে। তেওঁ নিজকে এটা পোহনীয়া চৰাই বুলি ভাবিছিল।

বহুতো বছৰৰ পিচত তেওঁ সেই সময়ত কি ভাবিছিল তাক বৰ্ণাই এটা কবিতা লিখিলে :—

সজাৰ পখিটিয়ে সোণৰ সজাটিত
বনৰ পখি অৰণ্যত ।
এদিন দুয়ো আহি হল দেখা দেখি
কি বা বিধিৰ মনত ॥
বনৰটিয়ে কয়, "সজাৰ পখী ভাই
বনলৈকে ব'লা যাওঁ ।"
সজাৰটিয়ে কয়, "বনৰ পখী আহাঁ
সজাত থাকি গান গাওঁ ॥"
বনৰ চৰাইটিয়ে কলে "নহব হেঁ
শিকলিত ধৰা নিদিওঁ ।"
সজাৰ চৰাইটিয়ে কবে "হায় হায়,
সজাত মই কেনেকৈ জীওঁ ॥"

লৰাকাল

ৰবীন্দ্ৰনাথক নিচেই সৰুতে পঢ়াশালিলৈ পঠোৱা হৈছিল। কিন্তু পঢ়াশালি তেওঁ ভাল নেপালে— শিক্ষক, লগৰীয়া কাকো। তেওঁ অসুখী হ'ল। তেওঁ দেখিলে—ভুল কৰিলেই শিক্ষকে ছাত্ৰক শাস্তি দিয়ে। বেঞ্চৰ ওপৰত থিয় কৰাই তেওঁবিলাকক থোৱা হয় নাইবা নাহিলে টান ৰ'দত ৰখাই শাস্তি দিয়া হয়। এইবিলাক কথা তেওঁ ভাল নেপালে। কেইজনমান শিক্ষকেও ৰবীন্দ্ৰনাথক ভাল নেপালে। এজন শিক্ষকে ৰবীন্দ্ৰনাথৰ বিষয়ে অলপো নুবুজিলে। বঙ্গ সাহিত্যৰ পৰীক্ষাত ৰবীন্দ্ৰনাথে ভাল কৰা দেখি শিক্ষকজনে তেওঁৰ বিদ্যাত সন্দেহ কৰিলে। শিক্ষকজনে পৰীক্ষাত কিবা ভুল হোৱা বুলি ভাবিলে। আকৌ নকৈ পৰীক্ষা দিয়ালে—এইবাৰো ৰবীন্দ্ৰনাথে ভাল কৰিলে। শিক্ষকজনে ভাবিলে ৰবীন্দ্ৰনাথ বৰ টেঙৰ।

ৰবীন্দ্ৰনাথৰ দেউতাকে যেতিয়া দেখিলে ৰবীন্দ্ৰনাথে স্কুল ভাল নেপায়, তেওঁক ঘৰতে পঢ়িবলৈ দিলে। ঘৰলৈ শিক্ষকক মাতি আনি ঘৰতে ৰবীন্দ্ৰনাথক পঢ়িবলৈ দিলে। এইসকলৰ পৰাই ৰবীন্দ্ৰনাথে শিক্ষা আহৰণ কৰিলে। কিন্তু তেওঁৰ পাঠ বৰ কঠোৰ আছিল। প্ৰত্যেক দিনৰ পাঠ দেউতাকে নিৰ্দ্দিষ্ট কৰি দিয়ে আৰু শিক্ষকসকলে সেই পাঠ ৰবীন্দ্ৰনাথে দিব পাৰেনে নোৱাৰে চাবলৈ আহে। নিচেই পুৱাতে তেওঁ

শোৱাপাটি এৰিব লাগে আৰু ব্যায়ামো কৰিব লাগে। মাল যুঁজ জনা এজন মানুহৰ হতুৱাই ৰবীন্দ্ৰনাথক মাল-যুঁজো শিকোৱা হৈছিল। ব্যায়ামৰ পিচত পাঠ পঢ়া আৰম্ভ কৰিব লাগে। অংক, বিজ্ঞান, বুৰঞ্জী, কাব্য আৰু অন্যান্য বিষয় তেওঁ শিকে। অধিক পঢ়িবৰ কাৰণে শিক্ষকৰ গুৰিলৈ তেওঁ যায়। তাৰ পিচত ছবি আঁকা শিকে। ৰাতি তেওঁ ইংৰাজী পঢ়ে আৰু প্ৰত্যেক দেওবাৰে গানৰ শিক্ষক আহি তেওঁক গান শিকায়। ঘৰত থাকিয়েই ৰবীন্দ্ৰনাথে এই শিক্ষা লাভ কৰে। তেওঁৰ দেউতাকে ইচ্ছা কৰিছিল যে ৰবীন্দ্ৰনাথৰ এটা সুন্দৰ সুগঠিত শৰীৰ, এটা শক্তিশালী মগজু, এখন দয়ালু হৃদয় আৰু এটা পৱিত্ৰ মন লাভ হয়। শিক্ষকসকলৰ আৰু কিতাপৰ্পৰা শিক্ষা লাভ কৰাৰ বাহিৰেও ৰবীন্দ্ৰনাথে দেউতাকৰ পৰাও বহুত শিক্ষা পালে।

ৰবীন্দ্ৰনাথ যেতিয়া ডাঙৰ হ'ল তেওঁ সৰুকালৰ কথা সুঁৱৰিলে আৰু মনত কোনো দুখ অনুভৱ নকৰাকৈ যাতে লৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে "শান্তি-নিকেতন"ৰ কল্পনা কৰিলে।

সৰুকালতেই ৰবীন্দ্ৰনাথে ভাৰতীয় মানুহৰ উন্নতিৰ বিষয়ে মনোযোগ দিয়ে। তেওঁৰ ককায়েক স্বদেশীৰ ভক্ত আছিল। ভাৰতত উৎপন্ন হোৱা বস্তুৰ ব্যৱহাৰ তেওঁবিলাকৰ কাম্য আছিল। সভা-সমিতিৰ সহায় লৈ দেশীয় বস্তু ব্যৱহাৰৰ আদৰ্শ তেওঁবিলাকে প্ৰচাৰ কৰিছিল। ইয়াৰ বাবে মেলা বা

DISTRICT LIBRARY.
TEZPUR

প্ৰদৰ্শনীয়ো পতা হৈছিল। এইবিলাক মেলাত মাল-যুঁজ পতা হৈছিল, গীত গোৱা হৈছিল আৰু কৱিতা পঢ়াও হৈছিল। ৰবীন্দ্ৰনাথে এই মেলাবোৰ ভাল পাইছিল।

ভাৰতী নামেৰে কাগজ এখন ৰবীন্দ্ৰনাথৰ পৰিয়ালৰ মাজৰপৰা ওলাইছিল। ঠাকুৰ পৰিয়ালৰ লেখনিৰ পৰাই কাগজখন চলিছিল। ষোল বছৰ বয়সতে ৰবীন্দ্ৰনাথে এই সচিত্ৰ কাগজখনত লেখে।



হিমালয় যাত্ৰা

মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ ঘৰৰপৰা প্ৰায় আঁতৰত থাকে। তেওঁৰ লৰা-ছোৱালীবিলাকে তেওঁক বৰকৈ নেদেখে। ৰবীন্দ্ৰনাথেও তেওঁক কিছুমান বছৰ একেবাৰে নেদেখিছিল; ৰবীন্দ্ৰনাথ সৰু বয়সতেই মহান পিতাদেৱৰ বিষয়ে শুনি তেওঁৰ কাষ চাপিবলৈকে যেন ভয় কৰিছিল। মহৰ্ষি দেবেন্দ্ৰনাথ যেতিয়া ঘৰত থাকে, ঘৰৰ লৰা-ছোৱালীবিলাকক কোঢ়াল কৰি তেওঁক বিৰক্তি নিদিবলৈ কোৱা হৈছিল।

এদিন ৰবীন্দ্ৰনাথে শুনিলে যে, তেওঁৰ পিতাদেৱে তেওঁক কথা কব খুজিছে। তেওঁ বৰ আচৰিত হ'ল—তেওঁ পিতাকক লগ ধৰাত পিতাকে সুধিলে—তুমি হিমালয় চাব খোজানে? বৰ ন. মনেৰে ৰবীন্দ্ৰনাথে মূৰ দোঁৱাই কলে যে, তেওঁ চাব খোজে। সবল সাজপাৰ পিন্ধি ৰবীন্দ্ৰনাথ যাবলৈ ওলাল। ৰবীন্দ্ৰনাথে প্ৰথম বাৰৰ কাৰণে ৰেলত উঠি যাত্ৰা কৰিলে। প্ৰথমতে দুয়ো বোলপুৰলৈ গ'ল। মুকলি হৈ ৰবীন্দ্ৰনাথ বৰ সুখী হ'ল। ঝৰণা এটাৰ পাৰত বহি তেওঁ মাছ চাবলৈ ধৰিলে। পিতাকৰ অনুমতি লৈ তাত গা ধুব খুজিলে।

বহুত বছৰৰ পিচত বুঢ়াকালত ৰবীন্দ্ৰনাথে পুনশ্চত লেখিছে—

"এসেছিনু বালককালে
ওখানে গুহাগহ্বরে
ঝিরঝির ঝরনার রহস্যধারায়

ৰচনা করেছি মনগড়া রহস্য কথা ।
খেলেছি নুড়ি সাজিয়ে
নির্জন দুপুর বেলায় আপন মনে একলা ॥

টকা আৰু ঘৰীটোৰ 'চাৰ্জ', ৰবীন্দ্ৰনাথক দেউতাকে দিলে। তেওঁ বিশ্বাস লাভ কৰি বৰ সুখী হ'ল। নিজৰ কাম নিজে কেনেকৈ কৰিব লাগে এয়ে তেওঁৰ প্ৰথম শিক্ষা। এদিন ঘৰীটোত টানকৈ চাবি দিলত ঘৰীটো ভাগি থাকিল। পিতাকে খং নকৰিলে যদিও ৰবীন্দ্ৰনাথ বৰ দুখী হ'ল। তেওঁ ভাবিলে যে তেওঁ বিশ্বাসৰ পাত্ৰ আৰু হব নোৱাৰিলে।

বোলপুৰতে ৰবীন্দ্ৰনাথে প্ৰথম কৱিতা লেখে। দেউতাকৰ লগত ৰবীন্দ্ৰনাথে অনেক ঠাই ফুৰিছিল। অমৃতসৰলৈকো গৈছিল। হ্ৰদ এটাৰ মাজৰ শিখসকলৰ ধৰ্ম্মমন্দিৰ চালেগৈ। মহৰ্ষিয়ে উপাসকসকলৰ লগত মিলি স্তুতি কৰিলে। ৰবীন্দ্ৰনাথেও দেউতাকৰ কথাত তাত গীত গাইছিল।

কলিকতালৈ উভতি আহি ৰবীন্দ্ৰনাথ চেণ্ট জেভিয়াৰ স্কুললৈ যায়। তাত তেওঁ অসুখী হ'ল। ঘৰতে তেওঁ পঢ়িবলৈ ললে। ইংৰাজীও তেওঁ শিকিলে। বৈষ্ণৱ কবি বিদ্যাপতি আৰু চণ্ডীদাস তেওঁ পঢ়িলে। ভানুসিংহ নামেৰে তেওঁ কৱিতা লেখিবলৈ ললে।

— x —

ইংলণ্ডৰ স্কুলত

তেওঁৰ দেউতাকে তেওঁক ইংলণ্ডলৈ পঠাব খুজিলে। আহমদাবাদত তেওঁ কিছুদিন তাৰ আগতে থাকিলগৈ। সবৰমতী নদীখন দেখি তেওঁ বৰ আনন্দ পালে। টেনিচনৰ কবিতা আৰু বহুতো সংস্কৃত কাব্য ৰবীন্দ্ৰনাথে তাতে পঢ়ে। তেওঁ সেইবিলাক বুজি নেপাইছিল যদিও তাৰ ধ্বনিয়ে তেওঁক সন্তোষ দিছিল। এই সময়তে তেওঁ দুই-এটা গীত ৰচনা কৰিবলৈ ধৰে। গীতবোৰ তেওঁ গাবলৈকো ধৰে।

ছমাহমান তেওঁ তাত থাকি বিলাতলৈ গ'ল। বিলাত যাত্ৰা আৰু ইংৰাজসকলৰ জীৱন প্ৰণালীৰ বিষয়ে তেওঁ পৰিয়ালৰ নিজা কাকতত চিঠি-পত্ৰ লেখিবলৈ ধৰিলে।

ইংলণ্ডত থাকোঁতে তেওঁ ব্ৰাইটনৰ স্কুলত পঢ়িবলৈ যায়। তাৰ হেড্মাষ্টৰে প্ৰথম বাণী তেওঁক দিলে—'তোমাৰ চুলি বৰ শুৱনী'। ইংৰাজৰ পঢ়াশালীৰ ছাত্ৰবন্ধু বিলাকক ৰবীন্দ্ৰনাথে বৰ ভাল পালে। তেওঁ চিঠিত লেখিছিল—'কোনো এজন ছাত্ৰই মোৰ জেপত এটা সুমথিৰা নাইবা এটা আপেল ভৰাই দি লৰ মাৰে'।

এই স্কুল এৰি তেওঁ লণ্ডনৰ স্কুললৈ গলগৈ। বৰ ঠাণ্ডাৰ সময়তে তেওঁ লণ্ডন পালেগৈ। সেইদেখি লণ্ডন তেওঁ বৰ ভাল নেপালে। লণ্ডনত তেওঁ লেটিন্ পঢ়িবলৈ ললে;

কিন্তু বৰ সহজ নাপালে ভাষাটো। তাত বহুতো পৰিয়ালে তেওঁক ভাৰতীয় গান গাবলৈ মাতিছিল। এই সময়তেই ৰবীন্দ্ৰনাথে বহুতো অধ্যয়ন কৰিলে। ইংৰাজী সঙ্গীত আৰু ইংৰাজ গ্ৰন্থকাৰসকলৰ বিষয়েও তেওঁ বহুতো জানিলে। নিজেও লেখিবলৈ আৰম্ভ কৰিলে। এই সময়ৰ পৰাই তেওঁৰ ৰচনাৰ নিজৰা ববলৈ ধৰিলে।

লেখক ৰবীন্দ্ৰনাথ

ভাৰতলৈ উভতি আহি ৰবীন্দ্ৰনাথে নাটক লেখিবলৈ ললে। সকলোবোৰ নাটকেই সঙ্গীতেৰে ভৰা। তাৰে কিছুমান মঞ্চত তোলা হল আৰু পৰিয়ালৰ মানুহেই তাত ভাও ললে। এখন নাট আছিল প্ৰথম ভাৰতীয় কবি বাল্মিকীৰ বিষয়ে। নাম ভূমিকাত ৰবীন্দ্ৰনাথেই ওলাইছিল। ৰামায়ণৰপৰা তেওঁ নিজেও এখন নাটক লেখে।

এই সময়টোৱেই ৰবীন্দ্ৰনাথৰ বৰ সুখৰ সময়। তেওঁ তৰুণ, তেওঁৰ বন্ধু-বান্ধৱ বহুতো আৰু তেওঁ চিন্তা নোহোৱা ভয়শূন্য। এই সময়ৰ বিষয়ে তেওঁ পিচত লেখিছে—আমি লেখিলোঁ, আমি গীত গালোঁ আৰু ভাও দিলোঁ। তেওঁৰ ঘাই বন্ধু আছিল জ্যোতিৰীন্দ্ৰনাথ। তেওঁ নিৰ্ভয় মানুহ, তেওঁৰ লগতে ৰবীন্দ্ৰনাথে বহুতো সময় কটালে। ঘোঁৰাত উঠিবলৈ ৰবীন্দ্ৰনাথে এওঁৰ লগতে শিকে। বাঘ দেখুৱাবলৈকো তেৱেঁই ৰবীন্দ্ৰনাথক লৈ যায়। বন্দুকেৰে বাঘ চিকাৰ তেওঁৰ লগতে ৰবীন্দ্ৰনাথে দেখে।

বহুতো কাব্য আৰু উপন্যাস ৰবীন্দ্ৰনাথে লেখে। সন্ধিয়াৰ সঙ্গীত, প্ৰভাত সঙ্গীত তেওঁ ভাৰতবৰ্ষৰ নানা ঠাইত লেখে। হিমালয়ৰ দাৰ্জিলিঙত, সাগৰৰ পাৰত তেওঁ প্ৰাকৃতিক চাই ভাল পায়। তেওঁৰ এৰৈকশ বছৰ বয়সত মাতৃ বিয়োগ হয়।

মৃত্যুৰ ছবি তেওঁ এই সময়তে দেখে। তেওঁৰ বৌয়েকো ঢুকায়। মৃত্যুয়ে তেওঁৰ মনত বেজাৰৰ বোজা তুলি দিয়ে। সকলো সময়তে তেওঁ বেজাৰত নিমগন হৈ আছিল। পিচত নিজেই নিজৰ বেজাৰ আঁতৰাই কৰিতা লেখিবলৈ ধৰে। মানসী ইয়াৰ পিচৰে কৰিতা। প্ৰকৃতিৰ আৰু তিৰোতাৰ সৌন্দৰ্য্য ইয়াত ভৰি আছে।

বালক আৰু সাধনা নামেৰে দুখন কাকতো ৰবীন্দ্ৰনাথে সম্পাদন কৰে।

ৰবীন্দ্ৰনাথ জগত বিখ্যাত হ'ল গীতাঞ্জলী লেখি। ১৯১২ চনত এই কিতাপখনৰ ইংৰাজী সংস্কৰণ ওলায়। শিল্পী ৰঠেন্ষ্টীনে এই গীতবোৰ পঢ়ে। চুইডেনৰ নবেল বঁটা সমিতিয়ে এই কিতাপখন পায় আৰু তেওঁক নবেল বঁটা দিয়ে। বাইশ বছৰ বয়সত তেওঁ বিয়া কৰায় আৰু কেইবছৰ মানৰ পিচতে তেওঁ বিয়া কৰোৱা জনক হেৰুৱায়। মাক মৰাৰ পিচতে তেওঁবিলাকৰ জীয়েকো ক্ষয় ৰোগত ঢুকায়। তেওঁৰ নিচেই সৰু লৰাটো মাউৰত পৰি মৰে। এই মৃত্যুৰ বিভীষিকাই তেওঁৰ হৃদয় ভাঙিব নোৱাৰিলে। তেওঁ বুজিলে জগতত একোৱেই নেহেৰায়। 'যে ফুল না ফুটিতে ঝৰেছে ধৰণীতে, জানিগো জানি তা ও হয়নি হাৰা'।

তেওঁ গোটেই পৃথিৱীতে ফুৰিছে। আমেৰিকা, জাপান, ৰুছিয়া আৰু এচিয়াৰ নানা ঠাইলৈ তেওঁ গৈছে। য়ুৰোপৰো

নানা ঠাই তেওঁ দেখিলে। সকলো দেশতে তেওঁ মানুহক কথা কৈছে। তেওঁ সন্মানিতো হৈছে সকলো ঠাইতে।

তেওঁৰ নাম চিৰস্মৰণীয় হব, তেওঁ কবি বাবে নহয়, লেখক বাবে নহয়, কিন্তু এজন মহৎ ভাৰতীয় বুলি তেওঁ সদায় অমৰ হৈ থাকিব। তেওঁ ৰাজনীতিজ্ঞ নেতা নাছিল যদিও তেওঁৰ কাৰ্য্য ৰাজনৈতিকৃতকৈও বঢ়া আছিল। তেওঁক চৰকাৰে দিয়া নাইট্ উপাধি পঞ্জাব দখলৰ সময়ত পৰিহাৰ কৰে।

১৯৩৭ চনৰ আগষ্ট মাহত তেওঁ নৰীয়াত পৰে। তেওঁ আৰোগ্য হৈ ১৯৪১ চনত আকৌ অসুস্থ হয় আৰু সেই চনৰে ৭ আগষ্টত ঢুকায়।

তেওঁ সঁচাকৈয়ে ধাৰ্ম্মিক আছিল। তেওঁ ৰাতি তিনি বজাত উঠি দুঘণ্টা জুৰি ঈশ্বৰক ধ্যান কৰিছিল। 'জনগনমন অধিনায়ক জয়হে, ভাৰত ভাগ্য বিধাতা' তেওঁৰ এই গীতটোৱেই ভাৰতৰ জাতীয় সঙ্গীত।

অন্ত

Library books will give you joy [illegible]
if handled carefully with clean hands